DailyAssam.com

# বিহু আদৰণি

*ব'হাগ বিহুৰ সময়ত প্ৰকৃতি আৰু মানুহ যেন একাত্ম হৈ পৰে; সকলোৰে মন প্ৰাণ ৰঙীন হয়। প্ৰকৃতিৰ ৰূপে মানুহৰ মনত জগাই তোলে বিচিত্ৰ অনুভূতি। এই কবিতাটিত ব'হাগৰ মনোমোহা চিত্ৰৰ লগতে লৌকিক আচাৰ আৰু প্ৰকৃতি-প্ৰীতিৰ এক সম্প্ৰীতিৰ বান্ধোন প্ৰতিভাত হৈ উঠিছে।*



শুনা ঐ চ'তাই
পেঁপাটি বজাই
ৰঙালীক আঁহা লৈ
পদূলি মুখত
বাট চাই চাই
থাকিম কিমান বৈ।।

আনিলোঁ জেতুকা
আনিলোঁ থেৰেজু
আনিলোঁ *বৰ্হমঠুৰি।
মাখিয়তী পাতে
তৰাৰ পঘাৰে
আওলা পেলালোঁ জুৰি।।

আনিলোঁ হালধি
থেকেৰা বেঙেনা
সাজিলোঁ বাঁহত চাত।
ঢোল টকা পেঁপা
সুগৰ কৰিলোঁ
সাৰিলোঁ চোতাল বাট।।



আয়ে কাটিলে
শালৰ গামোচা
আঁচুৰ ভমকা ফুল।
বায়ে আনি থ'লে
খোপালৈ বুলি
ৰচঙ্গা কপৌৰ ফুল।।



বহল পাতেৰে
নাহৰৰ ডালি
পিতাই আনিলে গৈ।
খুড়ীয়ে পাতিলে
মজিয়াত খোলা
তিল গুড় দিহা কৈ।





আইতাই মচি
থাপনাৰ আগ
থৈছে সেন্দূৰী কৈ।
নৰ'বা চ'তাই
কাবৌ কৰিছোঁ
আহা ৰঙালীক লৈ।।

**কবি — মিত্ৰদেৱ মহন্ত**

*(উৎস ঃ 'মৰুৱা ফুল', পৃষ্ঠা ১৩২, সম্পাদনা- নৰকান্ত বৰুৱা, অসম প্ৰকাশন পৰিষদ, পঞ্চম প্ৰকাশ, ২০০৮)*

★ *কবিতাটিৰ উৎসত 'বৰ্হমঠুৰি' আছে যদিও অভিধানত 'বৰ্হমথুৰি' আৰু 'বৰমথুৰি' হে আছে। মূলত থকা বানানত হাত দিয়া হোৱা নাই।*

## কবি পৰিচয়

**মিত্ৰদেৱ মহন্ত (১৮৯৪-১৯৮৩ চন)**— মিত্ৰদেৱ মহন্তৰ যোৰহাটত জন্ম হৈছিল। পিতৃ নিৰঞ্জনদেৱ মহন্ত আৰু মাতৃ বগীতৰা দেৱী। তেখেতে যোৰহাটত প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। আজীৱন অভিনয় কৰি ভাল পোৱা শিক্ষক, শিক্ষাবিদ মহন্ত সাহিত্য সাধনাতো ব্ৰতী আছিল। অসমীয়া সাহিত্যৰ প্ৰায়বোৰ ক্ষেত্ৰতে তেখেতে নিজৰ সৃষ্টি-প্ৰতিভাৰ পৰিচয় দিছিল। শিশু-সাহিত্যলৈ তেখেতৰ অৱদান সৰ্বজনবিদিত। 'মৌ-মহাভাৰত' তেখেতৰ শিশু-সাহিত্যসমূহৰ অন্যতম। মিত্ৰদেৱ মহন্ত এগৰাকী প্ৰসিদ্ধ গীতিকাৰ আছিল। তেখেতৰ দ্বাৰা ৰচিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি অসম সাহিত্য সভাৰ আৰম্ভণী গীত। এইগৰাকী অসম সন্তান একাধাৰে অভিনেতা, গীতিকাৰ, নাট্যকাৰ, শিশু-সাহিত্যিক, সত্ৰীয়া সংস্কৃতিৰ সাধক আৰু শিক্ষাবিদ আছিল।


ক্ৰিয়া-কলাপ

ক — পাঠভিত্তিক ক্ৰিয়া

১) **কবিতাটি শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়া।**

২) **লয় আৰু ছন্দৰ সংগতি ৰাখি কবিতাটি আবৃত্তি কৰা।**

৩) **চৰাইৰ বাহত থকা শব্দসমূহৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই শিকি লোৱা।**




৪) **উত্তৰ দিয়া।**

(ক) চ'তাই বুলি কবিয়ে কাক কৈছে?

(খ) কবিতাটিত জেতুকা, থেৰেজুৰ লগতে আৰু কি অনাৰ কথা কোৱা হৈছে?

(গ) মাখিয়তী আৰু তৰাৰ পঘাৰে কি জুৰি পেলোৱাৰ কথা কৈছে?

(ঘ) বাঁহত চাত কিহেৰে সজালে?


(ঙ) বায়ে খোপালৈ বুলি কি ফুল আনিলে?

(চ) কবিয়ে চ'তাইক কি বুলি কাবৌ কৰিছে?

৫)   কবিতাটিৰ কথাখিনি তোমাৰ কথাৰে লিখা।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৬)   বাক্য ৰচনা কৰা।





৭)   লিংগ নিৰ্ণয় কৰি তালিকা পূৰ কৰা।

খুড়ী, আইতা, বাইদেউ, আই, পিতাই, ককাই, শাহু, ননন্দ, জোঁৱাই

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| | |

৮)   শব্দবোৰ বহুবচনত প্ৰকাশ কৰা।




৯)   অৰ্থ প্ৰকাশ হোৱাকৈ তলৰ শব্দবোৰেৰে বাক্য সাজা।

| | | | |
|---|---|---|---|
| টিকা | বাত | থাল | জুৰি |
| টিকা | বাটি | ঠাল | জুৰি |

১০)  ৰচনাৰ আৰ্হিত বিহুৰ বিষয়ে দহটা বাক্য লিখা।

## গ — জ্ঞান সম্প্ৰসাৰণ

**১১) তোমালোকৰ অঞ্চলত ৰঙালী বিহু কেনেদৰে উদ্‌যাপন কৰা হয় লিখা।**

**১২) দলত আলোচনা কৰি বস্তুকেইপদেৰে আমি কি কি কৰোঁ লিখা।**

(ক) জেতুকা পাত

(গ) পঘা

(ঙ) বিহুৱান



(খ) বৰ্হমথুৰি

(ঘ) কপৌ-ফুল


(চ) মাখিয়তী



**১৩) তলত উল্লেখ কৰা বাদ্যসমূহৰ কোনকেইবিধ বাদ্য বিহুগীত বা বিহুনাচত ব্যৱহাৰ কৰা হয়, দলত আলোচনা কৰি লিখা।**

পেঁপা, গগনা, ঢোল, হাৰমনিয়াম,
খোল, সুতুলি, তাল, ঢাক, টকা, গীটাৰ







**জানো আহা**

**মঘাই ওজা**

মঘাই ওজা অসমৰ গণসাংস্কৃতিক জগতখনৰ এক উজ্জ্বল প্ৰতিভা। পাঁচবছৰ বয়সতে পিতৃক হেৰুৱাই মঘাই ওজা নিথৰুৱা হৈ পৰিছিল। ফলত তেনেই কম বয়সতে তেখেতৰ শিক্ষা জীৱনৰ ওৰ পৰিছিল। জীৱিকা নিৰ্বাহৰ পথ হিচাপে তেখেতে প্ৰথমে যোগালি কামত সোমাই তাৰ ধনেৰে এটা ঢোল কিনি ঢোল বাদনৰ যাত্ৰাত প্ৰথম খোজ দিছিল। মঘাই ওজাই ঢোলৰ শিক্ষা লৈছিল ঢুলীয়া ডিম্বেশ্বৰ গগৈৰ পৰা। প্ৰসিদ্ধ শিল্পী হেমাংগ বিশ্বাসে মঘাই ওজাক পঞ্চাশৰ দশকতে সাংস্কৃতিক জগতখনলৈ উলিয়াই আনি জনমানসত প্ৰতিষ্ঠা কৰিছিল। দৰিদ্ৰতা আছিল তেখেতৰ আজন্ম লগৰী। আৰ্থিক সংকটে তেখেতক সংস্কৃতি সাধনাৰ পৰা বিৰত কৰিব পৰা নাছিল।



**১৪) তাঁত-শালৰ সঁজুলিবোৰৰ ব্যৱহাৰৰ বিষয়ে শিক্ষকক সুধি জানি লোৱা।**

উঘা, চেৰেকী, টোলোঠা, বাঁচ, মহুৰা, নাচনী, গৰকা, যঁতৰ, নেওঠনী



১৫) আমাৰ ৰাজ্যত বিভিন্ন জনগোষ্ঠীয়ে পালন কৰা উৎসৱসমূহৰ নামবোৰ দলত আলোচনা কৰি তালিকাখনত লিখা।

| জনগোষ্ঠীৰ নাম | উৎসৱৰ নাম |
|---|---|
| | |

১৬) সৰু সৰু দলত ভাগ হৈ বৰ্ণৰ তালিকাখনৰ পৰা বিভিন্ন শব্দ লিখা।

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| দ | ৰা | লৃ | ৰ | ব | ৰ | য় | লা | বা | ৰ |
| আ | ঞ্চ | ৰা | ছা | প | দে | র্গা | বা | ৰ | ত |
| ফা | দু | ক | ন | ই | ৰা | বৈ | দু | ম | দী |
| ং | শা | চু | ল | বি | বি | দি | কে | ম | ং |
| পা | ঈ | য়ে | জা | দু | আ | গা | পা | লি | ভ |
| ৰ | প | আ | ব | কৈ | খ | ই | ৰা | পূ | দ |
| হু | অি | খু | গু | থৌ | ন | লী | ঙ | জ | কু |

উদাহৰণ— বিহু পাভ দৰা

১৭) ব'হাগত ৰঙালী, কাতিত কঙালী আৰু মাঘত হয় ভোগালী বিহু। প্ৰতিটো বিহুতে প্ৰকৃতিয়ে বেলেগ বেলেগ ৰূপ লয়। ব'হাগ মাহত প্ৰকৃতিয়ে কেনে ৰূপ লয় দলত আলোচনা কৰি বৰ্ণনা কৰা।

## ঘ — প্ৰকল্প

- বিহুগীত সংগ্ৰহ কৰি নিজৰ নিজৰ বহীত লিখা। প্ৰত্যেকেই অন্ততঃ পাঁচটাকৈ বিহুগীত লিখিবা।
- দলত বহি বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানৰ বাবে এটি আদৰণী ভাষণ প্ৰস্তুত কৰা (প্ৰয়োজন অনুসৰি শিক্ষকৰ সহায় ল'বা)।